**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি কেইবাটাও কাৰ্যসূচী।

২। দুৰ্গা পূজাৰ সময়ত ১২ হাজাৰৰো অধিক পদত শিক্ষক নিযুক্তি দিয়া হ'ব বুলি শিক্ষামন্ত্ৰীৰ ঘোষণা।

৩। সাপে দংশন কৰা লোকৰ জীৱন ৰক্ষাৰ বাবে ৰাজ্যত এণ্টি ভেনম প্ৰস্তুত কৰাৰ পৰিকল্পনা। আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট সৰ্পদংশন বিশেষজ্ঞ ডাঃ সুৰজিত গিৰিৰ এই মন্তব্য।

৪। ছদিনৰ পাছত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ বদৰপুৰ-লামডিং অংশৰ জাতিংগা-লামপুৰ ষ্টেচনৰ মাজেৰে কেইবাখনো ৰে'ল চলাচলৰ পৰিকল্পনা। **আৰু**

৫। ন'টিংহামৰ ট্ৰেণ্ট ব্ৰিজত অনুষ্ঠিত পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন খেলত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতীয় মহিলা ক্ৰিকেট দলৰ ৯৭ ৰানত জয়লাভ।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লক্ষ্যৰে আজি শিৱসাগৰ আৰু ডিব্ৰুগড়লৈ যাব। তেওঁ পোনে পোনে শিৱসাগৰ নগৰৰ ঐতিহাসিক ৰংঘৰত উপস্থিত হৈ ৰংঘৰৰ প্ৰস্তাৱিত অত্যাধুনিক প্ৰকল্পৰ প্ৰস্তুতি সম্পৰ্কে বুজ লোৱাৰ লগতে কৃত্ৰিম বানৰ উৎপত্তি আৰু সমাধান সন্দৰ্ভতো পৰ্যবেক্ষণ কৰিব। ইয়াৰ পাছত তেওঁ অ' এন জি চিৰ তৈলখাদৰ বিস্ফোৰণ সংঘটিত হোৱা ভটিয়াপাৰলৈ ৰাওনা হ'ব। তেওঁ ভটিয়াপাৰৰ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে আলোচনাত মিলিত হৈ অভাৱ-অভিযোগৰ বুজ ল'ব। ইয়াৰ পাছত তেওঁ হাৰমতিগড় আৰু গৌৰীসাগৰৰ চাৰিলেনযুক্ত পথ সংযোগী নৱনিৰ্মিত দলঙৰ বাবে প্ৰয়োজনীয় পথৰ সমস্যাৰ বুজ ল'ব। তেওঁ ২ কিলোমিটাৰ নিলগৰ শ্ৰীপুৰীয়া ঘাটৰ দিখৌ নদীৰ ঘাটত নিৰ্মাণ কৰা পকী দলং উদ্বোধন কৰিব। ইয়াৰ পাছত তেওঁ ডিব্ৰুগড় জিলাৰ মৰাণত নিৰ্মাণ হৈ থকা বিমানৰ জৰুৰীকালীন অৱতৰণৰ সুবিধা পৰিদৰ্শন কৰিবলৈ ৰাওনা হ'ব। উল্লেখযোগ্য যে মৰাণৰ জাতীয়নী গাঁৱত প্ৰায় ১৫০ কোটি টকা ব্যয় সাপেক্ষ জৰুৰীকালীন অৱতৰণ সুবিধা চমুকৈ ই এল এফ নিৰ্মাণ কৰি থকা হৈছে। যুদ্ধবিমান ৰাফেল, মিগ, তেজশ আদিকে ধৰি সামৰিক বিমান অৱতৰণ আৰু উৰণৰ আৰ্হিৰে এই ই এল এফ নিৰ্মাণ কৰা হৈছে। জৰুৰীকালীন সময়ৰ বাদে এই পথটো সাধাৰণ বাহন চলাচলৰ বাবে নিয়মীয়া ঘাইপথ হিচাপে ব্যৱহাৰ কৰা হ'ব। উত্তৰ-পূৰ্বাঞ্চলত দেশৰ জৰুৰীকালীন সময়ত প্ৰতিৰক্ষা বৃদ্ধিৰ ক্ষেত্ৰত এই ই এল এফে আত্মনিৰ্ভৰশীল ভাৰতৰ লগতে শক্তি বৃদ্ধিত অভূতপূৰ্ব অৰিহনা যোগাব বুলি আশা কৰা হৈছে।

০০০০০০ড়

বিদ্যালয় শিক্ষা বিভাগে শাৰদীয় দুৰ্গাপূজাৰ সময়ত ১২ হাজাৰৰো অধিক শিক্ষক পদত নিযুক্তি দিব। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কথা প্ৰকাশ কৰিছে। শিক্ষক পদ পূৰণৰ বাবে অৰ্হতা সম্পন্ন প্ৰাৰ্থীৰ বাচনি প্ৰক্ৰিয়া চলি আছে। এই অনুসৰি পহিলা জুলাইৰ পৰা মাধ্যমিক পৰ্যায়ত খালী হৈ থকা সাত হাজাৰ

৫৮৮ টা শিক্ষক পদ পুৰণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ডিব্ৰুগড়, যোৰহাট, কাছাৰ, নগাঁও, কামৰূপ মহানগৰ আৰু বঙাইগাঁও জিলাত নিযুক্ত হ'বলগীয়া এই স্নাতক শিক্ষকৰ পদসমূহ পুৰণৰ বাবে ছটা মণ্ডলত প্ৰাৰ্থীৰ নথিপত্ৰ পৰীক্ষণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ দ্বাৰা পৰিচালিত হ'বলগা এই বাচনি প্ৰক্ৰিয়া সন্দৰ্ভত শিক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে স্নাতক শিক্ষকৰ বাবে মুঠ সাত হাজাৰ ৫৮৮ টা পদৰ বাবে আবেদন বিচৰা হৈছিল আৰু এই পদৰ বাবে ছহেজাৰ ২৩৬ গৰাকী প্ৰাৰ্থীৰ আবেদন যোগ্য বিবেচিত হৈছে। বাকী এহেজাৰ ৩৫২ টা পদৰ বাবে পৰৱৰ্তী সময়ত বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ৰাজ্যৰ বিভিন্ন বিদ্যালয়ত খালী হৈ থকা স্নাতকোত্তৰ শিক্ষকৰ এহেজাৰ ৪৮৭ টা পদৰ বাবে নথি পৰীক্ষণ সম্পূৰ্ণ হোৱাৰ পাছতো খালী হৈ ৰ'বলগীয়া ২৩০টা পদ সন্দৰ্ভত ডাঃ পেগুৱে এই পদসমূহৰ বাবেও শীঘ্ৰে বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি মন্তব্য কৰে।

০০০০০০

সাপে দংশন কৰা লোকৰ জীৱন ৰক্ষাৰ বাবে ৰাজ্যত এণ্টি ভেনম প্ৰস্তুত কৰাৰ পৰিকল্পনা কৰা হৈছে বুলি বিশিষ্ট সৰ্পদংশন বিশেষজ্ঞ ডাঃ সুৰজিত গিৰিয়ে প্ৰকাশ কৰিছে। এই পৰিকল্পনা অহা ৫ৰ পৰা ৭ বছৰৰ ভিতৰত বাস্তৱায়িত হোৱাৰ সম্ভাৱনা আছে বুলিও তেওঁ উল্লেখ কৰে। আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগত যোৱা নিশা প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ এই কথা প্ৰকাশ কৰে।

**বাইট**

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে অন্তৰংগ আলাপত ডাঃ গিৰিয়ে সাপে দংশন কৰা লোক এঘণ্টাৰ ভিতৰত চিকিৎসালয়ত উপস্থিত হোৱাটো অতিকে জৰুৰী বুলি প্ৰকাশ কৰে। ৰাজ্যৰ সমূহীয়া চিকিৎসা কেন্দ্ৰসমূহত এণ্টি ভেনম উপলভ্য বুলি উল্লেখ কৰাৰ লগতে ডাঃ গিৰিয়ে প্ৰাথমিক চিকিৎসা কেন্দ্ৰবোৰতো এণ্টি ভেনম যোগান ধৰাৰ বাবে যো-জা চলাই থকা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ এটা প্ৰতিনিধি দলে অলপতে অসম ভ্ৰমণ কৰি সৰ্প দংশনৰ চিকিৎসাৰ ক্ষেত্ৰত থকা ৰাষ্ট্ৰীয় নীতি-নিয়মৰ কিছু সালসলনি ঘটাই ৰাজ্যত চলাই থকাৰ দৰে চিকিৎসা দেশৰ অন্যান্য প্ৰান্তত প্ৰচলন কৰিব পৰা যায় নেকি তাক অনুসন্ধান কৰে বুলিও ডাঃ গিৰিয়ে প্ৰকাশ কৰে। সাপে দংশন কৰা ঠাইখিনি বান্ধিব আৰু ধুব নালাগে বুলি উল্লেখ কৰি ডাঃ গিৰিয়ে ৰোগীক শীঘ্ৰেই চিকিৎসালয়লৈ আনিবলৈ সকলোকে আহ্বান জনায়।

০০০০০০

আজি ৰাষ্ট্ৰীয় পৰিসংখ্যা দিৱস। পৰিসংখ্যা আৰু অৰ্থনৈতিক পৰিকল্পনাৰ বাটকটীয়া অধ্যাপক প্ৰশান্ত চন্দ্ৰ মহালান'বিছৰ জয়ন্তী উপলক্ষে প্ৰতিবছৰে এই দিৱস উদযাপন কৰি অহা হৈছে। এই বৰ্ষত ৭৫ বছৰীয়া ৰাষ্ট্ৰীয় নমুনা জৰীপ বিষয়বস্তুৰে এই দিৱস উদযাপন কৰা হ'ব। এই দিৱস উপলক্ষে নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী ৰাও ইন্দ্ৰজিৎ সিঙৰ উপস্থিতিত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই দিৱস উপলক্ষে অসম চৰকাৰৰ পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ অৱসৰপ্ৰাপ্ত সঞ্চালক কে কে সেনে এইদৰে কয়-

**বাইট** (কে কে সেন)

০০০০০০

**অসম প্ৰকাশন পৰিষদে হেমকোষ আৰু চন্দ্ৰকান্ত অভিধান প্ৰকাশ কৰি বিদ্যালয় আৰু মহাবিদ্যালয়ত বিনামূলীয়াকৈ বিতৰণ কৰিব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি সংবাদ মাধ্যমৰ আগত এই কথা ঘোষণা কৰে। তেওঁ কয় যে হেমকোষ অসমৰ বাবে জাতীয় সম্পদ। যিহেতু হেমকোষ এতিয়া কপিৰাইটৰ ভিতৰত নপৰে, সেইবাবে যিকোনো ব্যক্তিয়ে হেমকোষ প্ৰকাশ**

**কৰিব পাৰে বুলি তেওঁ কয়। সেইবাবে অসম প্ৰকাশন পৰিষদে এতিয়া হেমকোষ অভিধানখন প্ৰকাশৰ দিহা কৰি আছে। হেমকোষৰ লগতে চন্দ্ৰকান্ত অভিধানখনো প্ৰকাশন পৰিষদে প্ৰকাশ কৰিব তেওঁ কয়।**

০০০০০০

বিত্ত মন্ত্ৰী অজন্তা নেওগে অৰুণোদয় আঁচনিৰ তৃতীয় সংস্কৰণৰ ৰূপায়ণ সন্দৰ্ভত কালি গোলাঘাট জিলাত জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত আৰু মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা শীৰ্ষক আঁচনিৰ সফল ৰূপায়ণ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। মন্ত্ৰী নেওগে এই কল্যাণকামী আঁচনিসমূহৰ উপযুক্ত আৰু সঠিক হিতাধিকাৰী নিশ্চিতকৰণ সন্দৰ্ভত দায়িত্বশীলভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০০০

৪২ সংখ্যক যোৰহাট জিলা দিৱস দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হ'ব। জিলাখনৰ সাংস্কৃতিক ঐতিহ্য আৰু কৃতিত্বক উজ্বল কৰি তোলাৰ লক্ষ্যৰে ২৪ জুনৰ পৰা যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত আৰু সকলো চৰকাৰী বিভাগৰ সহযোগত বিভিন্ন কাৰ্যসূচী অব্যাহত আছে। এই দিৱসৰ লগত সংগতি ৰাখি কাইলৈ আৰু পৰহিলৈ জিলাখনৰ অন্তৰ্গত প্ৰতিখন গাঁও পঞ্চায়তত বিশেষ গাঁও সভা অনুষ্ঠিত হ'ব। সভাসমূহত স্থানীয় জনসাধাৰণৰ মাজত বিভাগীয় আঁচনিসমূহৰ বিষয়ে সজাগতা বৃদ্ধিৰ উদ্দেশ্যে কেইবাটাও শিবিৰ অনুষ্ঠিত কৰাৰ লগতে বিভিন্ন চৰকাৰী পদক্ষেপ আৰু সুবিধাসমূহৰ বিষয়ে জনসাধাৰণক অৱগত কৰা হ'ব। ইপিনে, জিলাখনৰ বিভিন্ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ বিষয়ে ৰাইজৰ অভিযোগ থাকিলে গাঁওসভাৰ জৰিয়তে এই অভিযোগসমূহ নিষ্পত্তিৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। প্ৰতিখন গাঁও পঞ্চায়তৰ গাঁও সভাত সকলো বিভাগৰ প্ৰতিনিধিক উপস্থিত থাকিবলৈ জিলা আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে।

০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই আজি বদৰপুৰ-লামডিং অংশৰ জাতিংগা-লামপুৰ ষ্টেচনৰ মাজেৰে কেইবাখনো ৰে'ল চলাচল কৰোৱাৰ পৰিকল্পনা কৰিছে। প্ৰথম অৱস্থাত মালবাহী ৰে'ল চলাই ট্ৰেকৰ সবিশেষ পৰীক্ষা কৰি উঠাৰ পাছত যাত্ৰীবাহী ৰে'ল চলোৱা হ'ব। উল্লেখযোগ্য যে এই অঞ্চলটোত ভূমিস্খলনৰ ফলত জমা শিল, মাটি আঁতৰোৱাৰ কাম সম্পূৰ্ণ কৰাৰ পাছত উত্তৰ-পূব সীমান্ত ৰে'লৱেই ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জানিবলৈ দিছে। ছদিনৰ বিৰতিৰ মূৰত এই পাহাৰীয়া লাইনটো পুনৰ কাৰ্যক্ষম হৈ উঠাৰ ফলত কালি পুৱা শিয়ালদহৰ পৰা শিলচৰ-কাঞ্চনজংঘা এক্সপ্ৰেছ ৰাওনা হৈছে আৰু আজি এই পাহাৰীয়া ৰে'লপথছোৱা অতিক্ৰম কৰিব। ৰে'লপথছোৱা মুকলি কৰাৰ পাছত এই এলেকাৰ মাজেৰে পাৰ হৈ যাবলগীয়া কাঞ্চনজংঘা এক্সপ্ৰেছ হ'ব প্ৰথমখন যাত্ৰীবাহী ৰে'ল। যোৱা ২৩ জুনৰ পৰা ভূমিস্খলনৰ বাবে এই লাইনেৰে সকলো ধৰণৰ ৰে'ল চলাচল বন্ধ হৈ আছিল। ইয়াৰ ফলত ডিমা হাছাও আৰু বৰাক উপত্যকাৰ লগতে ত্ৰিপুৰা, মিজোৰাম আৰু মণিপুৰৰ সৈতেও ৰে'ল যোগাযোগ বিচ্ছিন্ন হৈ আছিল। অৱশ্যে এই পথছোৱাৰে আজিৰ দিনটোত দুখন বা তিনিখন ৰে'ল চলাচল কৰাৰ পৰিৱৰ্তে অধিকাংশ ৰে'লৰ যাত্ৰা বাতিল কৰা হৈছে। আজি নিশা ১০ বাজি ৪০ মিনিটত শিলচৰৰ পৰা ৰঙিয়া অভিমুখে যাত্ৰা কৰিবলগীয়া ৰে'লখন কাইলৈ পুৱা ৫ বজাত ৰাওনা হ'ব।

০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে যোৱা নিশা ন'টিংহামৰ ট্ৰেন্ট ব্ৰিজত অনুষ্ঠিত পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দল ইংলেণ্ডক ৯৭ ৰানত পৰাস্ত কৰে। ভাৰতে খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২১০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ স্মৃতি মান্ধানাই ৬২ টা বলত ১১২ ৰান কৰে। আন্তঃৰাষ্ট্ৰীয় টি-২০ ক্ৰিকেটত এয়া মান্ধানাৰ প্ৰথমটো শতক। হৰলিন দেঅ'লে ৪৩ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ইংলেণ্ডে ১৪ অভাৰ আৰু ৫ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৩ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ইংলেণ্ডৰ হৈ নেট ছাইবাৰ ব্ৰণ্টে ৪২ টা বলত ৬৬ ৰান কৰে। ভাৰত শ্ৰী চৰনীয়ে ৪ টা উইকেট দখল কৰে। স্মৃতি মান্ধানাক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত থকা ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লাৰ সৈতে কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাৰ্তালাপৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে মহাকাশৰ পৰা ভাৰতক অতি বৃহৎ দেখি ঃ শুক্লা, আমি এদিনত ১৬ বাৰ পৃথিৱীক অতিক্ৰম কৰো, দেখো ১৬ টা সূৰ্যোদয়, ১৬টা সূৰ্যাস্ত শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ অৰ্থনীতি গতিশীল হোৱাৰ লগতে বিত্তীয় শৃংখলা বৰ্তাই ৰখা বুলি ৰাজ্য চৰকাৰে দাবী কৰি আহিছে যদিও চৰকাৰৰ ঋণ মুঠ ঘৰুৱা উৎপাদন অনুপাতে বৃদ্ধি পোৱা বুলি এটা বাতৰি **দৈনিক অসম** কাকতে অৰ্থনীতিলৈ বৃহৎ প্ৰত্যাহ্বান ঃ অসমৰ মুঠ জি ডি পিৰ অনুপাতে ঋণৰ বোজা ২৬ শতাংশ ওচৰ চাপিছে শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

বিদ্যালয়ত শিক্ষক তথা অন্যান্য কৰ্মচাৰীৰ উপস্থিতি সন্দৰ্ভত মাধ্যমিক শিক্ষা সঞ্চালকৰ গুৰুত্বপূৰ্ণ নিৰ্দেশনাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে ৯ বজাৰ পূৰ্বে স্কুললৈ আহিব লাগিব শিক্ষক শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

জল জীৱন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সাংবাদিকক দুৰ্ব্যৱহাৰ কৰাৰ প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে মন্ত্ৰীগৰাকীৰ হৈ সংবাদ মাধ্যমৰ ওচৰত মুখ্যমন্ত্ৰীয়ে ক্ষমা খোজা বুলি এটা বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আমাৰ অসম কাকতেও একেটা বাতৰিকে সাংবাদিকক ক্ষমা খুজিবলৈ মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাক পৰামৰ্শ দিয়া বুলি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি পদৰ বাবে দলটোৰ অভ্যন্তৰত বিভিন্নজনৰ নাম চৰ্চা হোৱাৰ লগতে দলটোৱে অচিৰেই এই বিষয়ে ঘোষণা কৰাৰ পূৰ্ণ সম্ভাৱনা আছে বুলি এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

গাজাত ইজৰাইলৰ আক্ৰমণত কমেও ৬০ জন লোকৰ মৃত্যু হোৱা বুলি এটা বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই প্ৰকাশ কৰিছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২৩ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ ৱেবছাইট আৰু NEWS ON AIR ম'বাইল এপযোগেও শুনিব পৰা যাব। আকাশবাণীৰ বাতৰি সেৱা বিভাগ, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান পোনপটীয়া প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ ঠিক পাছতে আকাশবাণী গুৱাহাটীয়ে ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooo

সমাপ্ত